সৰে/কেতিয়াবা শৰদতো নিজমৰো ৰাতি নামে/কেতিয়াবা ৰ'দে মাতে/কেতিয়াবা বৰষুণে...” গীতটোৰ অন্যতম আকৰ্ষণীয় দিশটো হ'ল গীতৰ কথাৰ লগত সুৰৰ যি ভিন্নতা। শব্দৰ সাংগীতিক লয়ৰ প্ৰতি গীতিকাৰ সজাগ। “প্ৰতিটো প্ৰহৰ প্ৰতিটো সময়/প্ৰতিটো পলে চিঞৰে আজি/প্ৰতিটো দুখৰ প্ৰতিটো শোকৰ/প্ৰতিটো ক্ষোভৰ মূল্য সুঁৰৰি...” ‘মুক্তি’ এলবামৰ এই বিশেষ গীতটোত জুবিনে ‘প্ৰতিটো’ শব্দটোক যিদৰে ব্যৱহাৰ কৰি গীতটোৰ মাজৰেই মানুহৰ আশা-নিৰাশা, শূন্যতাবোধ, ক্ষোভ, উপলব্ধিৰ ৰহস্যময় জীৱনটোক প্ৰতিফলিত কৰিছে, ঠিক সেইদৰে, সুৰ আৰু প্ৰকাশভংগী সম্পূৰ্ণ পৃথক হ'লেও ‘মা’ এলবামৰ ‘কেতিয়াবা’ শীৰ্ষক গীতটোৰ মাজেদি জীৱনৰ ৰহস্যময় সময়বোৰক যেন জুবিন গাৰ্গে আকৌ এবাৰ উপলব্ধি কৰিছে। ‘মা’ এলবামৰ প্ৰতিটো গীতৰে বিষয়বস্তু বেলেগ। ‘নিচুকনি’ শীৰ্ষক গীতটোত আকৌ এটি পীড়িত শিশু শ্ৰমিকৰ আকুল বিনিনিক গীতিকাৰে এইদৰে প্ৰকাশ কৰিছে—“নিচুকনি গীত মোৰ কেনিনো হেৰালে/হৃদয় কোণত থানবান/জ্বলি থকা জেউতি কেনিনো নুমালে/সমীৰত ধুমুহা গান/এন্ধাৰে সাৰ পায় হাঁহি মাৰি কয়/তইহে মোৰ সন্তান”। ‘এন্ধাৰ’ক ইয়াত নিঃসংগতা, শূন্যতাবোধ, বিষাদৰ প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰিছে। জুবিন গাৰ্গৰ গীতসমূহত ‘ফাগুন, এন্ধাৰ, জোনাক আদি শব্দবোৰক এনেদৰে বিশেষ প্ৰতীকী ৰূপত ব্যৱহাৰ কৰা দেখা যায়। জীৱনৰ প্ৰতি একধৰণৰ দাৰ্শনিক চিন্তা গীতটোৰ মাজেদি খুব সুন্দৰভাৱে প্ৰকাশ পাইছে। তদুপৰি গীতটোৰ হৃদয় জুৰোৱা সুৰ আৰু বাঁহীৰ দৰদী ধ্বনিয়ে গীতটোক আলংকাৰিক সৌন্দৰ্য প্ৰদান কৰিছে।

গীত এটা কেৱল কথাৰ জোৰত কেতিয়াও জনপ্ৰিয় হ'ব নোৱাৰে যদিহে গীতটোৰ সুৰ আকৰ্ষণীয় নহয়। জুবিন গাৰ্গৰ গীতৰ আটাইতকৈ শক্তিশালী উপাদানটোৱেই হৈছে গীতৰ সুৰ। জুবিনৰ যাদুকৰী গায়নশৈলীৰ লগতে গীতৰ বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি তাৰ সুবিন্যস্ত কথাভাগত অপূৰ্ব সুৰ সংযোজন কৰিব পৰা অনন্য ক্ষমতা আছে। জুবিন গাৰ্গৰ সুৰত প্ৰকাশ পোৱা কাৰুণ্য বা বিষাদৰ ভাব আৰু harmonisationৰ স্বকীয় প্ৰকাশভংগীৰ লগতে suspension chordৰ সুন্দৰ ব্যৱহাৰে গীতবোৰক অধিক আকৰ্ষণীয় কৰি তোলা যেন লাগে। সংগীত বিশেষজ্ঞসকলে জুবিন গাৰ্গ সুৰাৰোপিত বহু গীতত ভুপালী ৰাগৰ প্ৰভাৱ অধিক বুলি ক'ব খোজে। অৱশ্যে এই বিষয়ে আৰু গৱেষণাৰো প্ৰয়োজন আছে। সুৰৰ আলোচনাত তালৰ বিশ্লেষণো দৰকাৰ। জুবিনৰ গীতত তালে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। জুবিন গাৰ্গ যিহেতু সকলো বাদ্যযন্ত্ৰতেই সিদ্ধহস্ত, সেইবাবে জুবিন গাৰ্গৰ নিজা সৃষ্টিত বাদ্যযন্ত্ৰৰ ব্যৱহাৰে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা দেখা যায়। তবলাত বিশাৰদ আৰু সকলো ধৰণৰ ‘percussion instrument’ত সিদ্ধহস্ত জুবিন গাৰ্গৰ গানবোৰত বিশেষকৈ Rhythm sectionটোৰ সুকীয়া দখল আছে। সেইবাবেই হয়তো কথাৰ ফালৰপৰা গীত এটা সিমান আকৰ্ষণীয় নহ'লেও জুবিনৰ গীতৰ সুৰ আৰু তালৰ শব্দই শ্ৰোতাৰ মন সহজে মুহিব পাৰে। সুৰকাৰ জুবিনৰ সংগীতত তালৰ ব্যৱহাৰ সম্পৰ্কত সাংবাদিক-শিল্পী মণি মহন্তই কৈছে—“জুবিনৰ বেছিভাগ গানেই ৪/৪, ২/২, ৬/৮ তালত বন্ধা। সাত মাত্ৰাৰ ৰূপক বা পশ্চিমৰ অনুৰূপ তাল waltz তেওঁৰ গানত দুৰ্লভেই বুলিব পাৰি। তাৰ বিপৰীতে ৪/৪ তালৰ বিচিত্ৰ ৰূপ তেওঁ গানত ধৰি ৰাখিছে, মায়াবিনীৰ দৰে লেটিন সুৰ প্ৰভাৱিত গানৰ বাবে তেওঁ খাপ খোৱাকৈ বাছি লৈছে তালৰ বিদেশী পেটাৰ্ন। তেনেদৰে blues শৈলীত বান্ধ খাইছে ‘গানে কি আনে’। কোনো কোনো ছবিৰ গীতত তেওঁ ‘ৰেগে’ (Raggae) তালো ব্যৱহাৰ কৰিছে। অসম আৰু বাহিৰৰ বিভিন্ন থলুৱা বাদ্যযন্ত্ৰ (ঢোল, নাগাৰা, দগৰ, সাৰেংগী) জুবিন গাৰ্গে তেওঁৰ সংগীতত প্ৰয়োগ কৰিছে আধুনিক ৰূপত।” এবাৰ এটা ইণ্টাৰভিউত সোধা হৈছিল—জুবিন গাৰ্গে গানটো লিখি সুৰ কৰে নে সুৰ কৰি গানটো লিখে? সেই উত্তৰত তেওঁ কৈছিল—এটা সুৰ যেতিয়া কৰি যায় তাৰ লগে লগে কথাখিনি লিখি যায় আৰু লগতে সংগীতৰ কামবোৰো একেলগে কৰি যায়। “নহ'লে পৰিচয় হিয়াৰে...” (গীতিকাৰ ঃ হেমন্ত দত্ত, সুৰ ঃ জুবিন), “মায়াবিনী ৰাতিৰ বুকুত...”ৰ (কথা-সুৰ-সংগীত ঃ জুবিন) দৰে বহু চিৰযুগীয়া গীতৰ সৃষ্টি তেওঁ খুব কম সময়ৰ ভিতৰতে কৰিছিল বুলি জনা যায়।

তদুপৰি জুবিন গাৰ্গ এনে এজন দক্ষ সংগীতজ্ঞ যাৰ সুৰতেই কবিতায়ো প্ৰাণ পায় এটা গীতলৈ। কবিতাক গীতলৈ ৰূপান্তৰ কৰাটো সুৰকাৰ এজনৰ বাবে বহু কষ্টকৰ কাম। কাৰণ কবিতাৰ ক্ষেত্ৰত বহুখিনি বাধ্য-বাধকতা থাকে। সুৰকাৰে নিজৰ ইচ্ছামতেই শব্দৰ ইফাল-সিফাল কৰিব নোৱাৰে। সুৰকাৰ হিচাপে জুবিন গাৰ্গ কিন্তু ইয়াতো সফল হৈছে। শেহতীয়াকৈ মুক্তি পোৱা ‘কাঞ্চনজংঘা’ ছবিখনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘কাঞ্চনজংঘা’ শীৰ্ষক কবিতাটো খুব সুন্দৰকৈ সুৰেৰে সজাইছে। তদুপৰি জুবিনে “গানে কি আনে” *(এলবাম ঃ অনামিকা-১৯৯২)*, “ফুলেৰে সজালোঁ” *(এলবাম ঃ অনামিকা, কণ্ঠ ঃ কবিতা কৃষ্ণমূৰ্তি)*, “এন্ধাৰে এন্ধাৰে” *(চলচ্চিত্ৰ ঃ ৰ'দৰ চিঠি, ২০১৪)*, “বকুল ফুলৰ দৰে জোনাকৰ পখী উৰে” *(এলবাম ঃ ৰক-২০১২)*, “হেৰ' বাঁহীৰ” *(এলবাম ঃ বাঁহী-২০১০)* দৰে কেইবাটাও হীৰুদাৰ কবিতাক জনপ্ৰিয় গীতলৈ ৰূপান্তৰ কৰিছে। এনেধৰণৰ জনপ্ৰিয় গীতে হীৰেন ভট্টাচাৰ্য (হীৰুদা) আৰু জুবিন গাৰ্গৰ যুটিটোকো চিৰসেউজ কৰি ৰাখিছে। জুবিন গাৰ্গৰ সুৰত লোকসংগীতৰপৰা ৱেষ্টাৰ্ন মিউজিকৰ প্ৰভাৱ পৰা দেখা যায়। “ভৱা কথা নহয় সিদ্ধি/বাটত আছে কণা বিধি” *(এলবাম ঃ শিশু, ২০২০)* শীৰ্ষক গীতটোৰ সুৰত গোৱালপৰীয়া লোকগীতৰ প্ৰভাৱ দেখা যায়। ঠিক সেইদৰে “অমানিশা সাৰে আছে” *(এলবাম ঃ ৰুমাল-২০০৮)*, “যাতনাৰে প্লাৱনে” *(চলচ্চিত্ৰ ঃ আণ্ডাৰৱৰ্ল্ড-২০১৭)* দৰে গীতৰ সুৰত আকৌ ‘ৱেষ্টাৰ্ন ফ্লেভাৰ’ এটা পোৱা যায়।

জুবিন গাৰ্গৰ অসমীয়া ছবিৰ বাদেও সংগীত পৰিচালক হিচাপে বাংলা ছবিতো এটা সুকীয়া পৰিচয় আছে। মুনিন বৰুৱাৰ ‘হিয়া দিয়া নিয়া’ (২০০০) ছবিখনৰ যোগেদি সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰা জুবিন গাৰ্গৰ সংগীতে অসমীয়া ছবিৰ বাণিজ্যিক দিশটোক বহুখিনি সহায় কৰিছিল। ‘ৰত্নাকৰ'ৰ (২০১৯) সংগীতে যেন তাক আকৌ এবাৰ প্ৰমাণ কৰিলে। জুবিন গাৰ্গে বৰ্তমানলৈকে প্ৰায় চল্লিছখনৰো অধিক অসমীয়া ছবিত সংগীত পৰিচালনা কৰিছে। এই চলচ্চিত্ৰৰ সংগীত আৰু একক এলবামৰ সংগীতৰ মাজত কিছু পাৰ্থক্য আছে। চলচ্চিত্ৰৰ সংগীতত কাহিনীৰ ওপৰত ভিত্তি কৰি সংগীত পৰিচালকজনে গীত সৃষ্টি কৰে কিন্তু একক এলবামত তেনেধৰণৰ কথা বা বাধ্যবাধকতাসমূহ নাথাকে। জুবিন গাৰ্গে এই দুয়োটা ধাৰাৰ সংগীতৰ ওপৰতেই সমান্তৰালভাৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। সেইবাবেই একে সময়তে এফালে ‘হিয়া দিয়া নিয়া’ৰ সংগীত, আনফালে ‘পাখি’ৰ (২০০০) দৰে একক এলবামৰ সংগীতে অসমৰ আকাশ-বতাহ কঁপাই তুলিবলৈ সক্ষম হৈছিল। একক এলবামসমূহত জুবিন গাৰ্গৰ আবেগ, প্ৰেমানুভূতিৰ লগতে সামাজিক চেতনাৰে উদ্বুদ্ধ শিল্পীসুলভ মনটোকো বিচাৰি পাব পাৰি। জুবিন গাৰ্গৰ নিজস্ব পৰিচালনাৰ শেষৰটো একক এলবাম আছিল ৰক (২০১২)। ৰক এলবামৰ পাছত জুবিন গাৰ্গৰপৰা বহু বছৰ নিজস্ব কথা, সুৰ, সংগীতেৰে সজোৱা একক এলবাম এখন আমি শুনিবলৈ পোৱা নাছিলোঁ। কিন্তু শেহতীয়াকৈ মুক্তি পোৱা জুবিন গাৰ্গৰ ‘মা’ এলবামৰ গীতসমূহে যেন সংগীতপ্ৰেমীৰ সেই ভোক গুচাব পাৰিলে।

জুবিন গাৰ্গৰ সংগীতৰ ওপৰত